**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 04-06-2024
**Time :** 1845 Hrs.

***Assamese Evening Bulletin***

## HEADLINES

১।	লোকসভা নিৰ্বাচনত বিজেপি নেতৃত্বাধীন এন ডি এ জয়ৰ দিশে অগ্ৰসৰ। শেহতীয়া তথ্য অনুসৰি বিজেপিৰ ৮১ খন আসন লাভ, ১৫৮ আসনত অগ্ৰগতি।
২।	প্ৰধানমন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা নৰেন্দ্ৰ মোদীৰ লগতে অমিত শ্বাহৰ জয়। কংগ্ৰেছ নেতা ৰাহুল গান্ধীৰ অগ্ৰগতি।
৩।	অসমত বিজেপিৰ ৮ খনত আৰু অগপৰ এখন আসনত অগ্ৰগতি। ৩টা সমষ্টিত কংগ্ৰেছ প্ৰাৰ্থীৰ অগ্ৰগতি।
৪।	ফলাফলৰ পাছতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ আজি সন্ধিয়া বিজেপিৰ কাৰ্যকৰ্তাক সম্বোধন। কংগ্ৰেছ তথা ৰাহুল গান্ধীৰ ভোটদাতাক ধন্যবাদ।

*আৰু*

৫।	আই চি চি টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ আজি নিশা ৮ বজাত হ'বলগীয়া খেলত ইংলেণ্ড, স্কটলেণ্ডৰ মুখামুখি। আজি নিশা ৯ বজাত হ'লগীয়া আন এখন খেলত নেডাৰলেণ্ডছ, নেপালৰ সন্মুখীন।

০০০০০০০০০০

দেশৰ নিৰ্বাচন আয়োগে প্ৰকাশ কৰা শেহতীয়া তথ্য মতে শাসনাধিস্থিত বিজেপি মিত্ৰজোঁটে ১১৬ খন আসনত জয়ী হোৱাৰ বিপৰীতে ১৭৫ খনত আগবাঢ়ি আছে। আনহাতে, আই এন ডি এ মিত্ৰজোঁটে ৪৬ খনত জয়লাভ কৰাৰ বিপৰীতে ১৮৭ খনত আগবাঢ়ি আছে। বিজেপিয়ে অকলে ১১০ খন আসনত জয়লাভ কৰাৰ বিপৰীতে ১৩০ খনত অগ্ৰগতি লাভ কৰি আছে। কংগ্ৰেছে ইতিমধ্যে ৩৮খন আসনত জয়লাভ কৰাৰ উপৰি ৬১ খন আসনত আগবাঢ়ি আছে। জনতা দল ছেকুলাৰে দুখন, আম আদমী পাৰ্টী আৰু হিন্দুস্তানী আবাম মৰ্চা ছেকুলাৰে এখনকৈ আসনত জয়লাভ কৰিছে।

ভোটগণনাৰ শেহতীয়া তথ্য অনুসৰি **বাৰাণসী** সমষ্টিত বিজেপিৰ জ্যেষ্ঠ নেতা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী তেওঁৰ নিকটৱৰ্তী প্ৰতিদ্বন্দ্বী অজয় ৰায়তকৈ ডেৰলাখতকৈ অধিক ভোটৰ ব্যৱধানত বিজয়ী হৈছে। গুজৰাটৰ গান্ধী নগৰ **সমষ্টিৰ** পৰা **অমিত শ্বাহে** জয়লাভ কৰিছে। কৰ্ণাটকৰ হাভেৰি সমষ্টিৰ পৰা বিজেপিৰ **বাসৱৰাজ বোম্মাই** বিজয়ী হৈছে। বাংগালোৰ নৰ্থ সমষ্টিত বিজেপি প্ৰাৰ্থী শোভা কৰণলাজে জয়লাভ কৰিছে। মধ্য প্ৰদেশৰ ইন্দোৰ সমষ্টিৰ পৰা বিজেপি প্ৰাৰ্থী **শংকৰ লালৱানি** জয়ী হৈছে। মেঘালয়ৰ তুৰা সমষ্টিত কংগ্ৰেছ দলৰ **ছলেং এ চাংমা** এন পি পিৰ আগাথা কে ছাংমাৰ বিপৰীতে জয়ী হৈছে। বিহাৰৰ গয়া সমষ্টিৰ পৰা হিন্দুস্তানী আৱাম মৰ্চাৰ **জিতনৰাম মাঝি** জয়ী হৈছে। মধ্য প্ৰদেশৰ বিদিশা সমষ্টিত **শিৱৰাজ সিং চৌহান**, বাংগালোৰ গ্ৰাম্যৰ পৰা ড° চি এন মঞ্জুনাথ, গুজৰাটৰ নৱচাৰি সমষ্টিত **চি আৰ পাটিল**, তেলেংগানৰ মালকাজগিৰি সমষ্টিত **এটালা ৰাজেন্দ্ৰ** জয়ী হৈছে। মধ্যপ্ৰদেশৰ দেৱাচ সমষ্টিত মহেন্দ্ৰ সিং ছোলাংকী, মধ্য প্ৰদেশৰ গুণা সমষ্টিত জ্যোতিৰাদিত্য সিন্ধিয়া, মান্দাচুৰ সমষ্টিত সুধীৰ গুপ্তা জয়ী হৈছে। **ৰাজস্থানৰ জয়পুৰ চহৰ** সমষ্টিত বিজেপিৰ মঞ্জু শৰ্মা আৰু **কৰ্ণাটকৰ চিত্ৰদুৰ্গ** সমষ্টিত বিজেপিৰ গোবিন্দ মাকথাপ্পা কাৰ্জ'ল বিজয়ী হৈছে। আনহাতে, **পাঞ্জাবৰ জলন্ধৰ** সমষ্টিত কংগ্ৰেছ দলৰ প্ৰাৰ্থী তথা ৰাজ্যখনৰ প্ৰাক্তন মুখ্যমন্ত্ৰী চৰণজিৎ সিং চন্নী আৰু **ফতেহগড়** ছাহিব সমষ্টিৰ পৰা কংগ্ৰেছৰে অমৰ সিং জয়ী হৈছে। ৰাজ্যখনৰ ছাংৰুড় সমষ্টিৰ পৰা আম আদমী পাৰ্টীৰ গুৰমিৎ সিং মিট হায়াৰ বিজয়ী

হৈছে। ইপিনে, **কেৰালাৰ আলাথুৰ** সমষ্টিত চি পি এমৰ কে ৰাধাকৃষ্ণণ বিজয়ী হৈছে। **কৰ্ণাটকৰ মন্দিয়া** সমষ্টিৰ পৰা জনতা দল ছেকুলাৰৰ এইচ ডি কুমাৰাস্বামীয়ে জয়লাভ কৰিছে। **গুজৰাটৰ ৰাজকোট** সমষ্টিত কেন্দ্ৰীয় মন্ত্ৰী পৰষোত্তম ৰূপালা জয়ী হোৱাৰ বিপৰীতে **কৰ্ণাটকৰ ধাৰোৱাৰ** সমষ্টিৰ পৰা বিজেপিৰ প্ৰহ্লাদ যোশী জয়ী হৈছে। **কেৰালাৰ ৱায়ানাড** সমষ্টিত কংগ্ৰেছৰ ৰাহুল গান্ধী জয়ী হৈছে। **অৰুণাচল পশ্চিম সমষ্টিত** বিজেপি প্ৰাৰ্থী কেন্দ্ৰীয় মন্ত্ৰী কিৰেণ ৰিজিজু নিকটতম প্ৰতিদ্বন্দ্বী কংগ্ৰেছৰ নাৱাম টুকীতকৈ ১ লাখতকৈ অধিক ভোটৰ ব্যৱধানত জয়ী হৈছে। কেন্দ্ৰীয় মন্ত্ৰী অনুৰাগ সিং ঠাকুৰ **হিমাচল প্ৰদেশৰ হামিৰপুৰ** সমষ্টিত নিকটতম প্ৰতিদ্বন্দ্বী কংগ্ৰেছৰ ছটপাল ৰায়জাদাতকৈ ১ লাখ ৮২ হাজাৰতকৈ অধিক ভোটৰ ব্যৱধানত জয়ী হৈছে। আনহাতে, **মান্দি** সমষ্টিত বিজেপিৰ কংগনা ৰাণাৱট কংগ্ৰেছৰ বিক্ৰমাদিত্য সিঙতকৈ ৭৪ হাজাৰৰো অধিক ভোটত জয়ী হৈছে।

**ৰাজস্থানৰ আলৱাৰ** সমষ্টিত বিজেপিৰ ভূপেন্দৰ যাদৱ কংগ্ৰেছৰ ললিত যাদৱতকৈ ৮৪ হাজাৰৰো অধিক ভোটৰ ব্যৱধানত জয়ী হৈছে। ৰাজ্যখনৰ **বিকানেৰ** সমষ্টিত কেন্দ্ৰীয় মন্ত্ৰী বিজেপিৰ অৰ্জুন ৰাম মেঘৱাল কংগ্ৰেছৰ গোবিন্দৰাম মেঘৱালতকৈ ৫৫ হাজাৰৰো অধিক ভোটত জয়ী হৈছে। **কোটা** সমষ্টিত বিজেপিৰ প্ৰাৰ্থী তথা লোকসভাৰ অধ্যক্ষ ওম বিৰলা কংগ্ৰেছৰ প্ৰহ্লাদ গুঞ্জনতকৈ ৪১ হাজাৰৰো অধিক ভোটত জয়ী হৈছে। **যোধপুৰ সমষ্টিত** কেন্দ্ৰীয় মন্ত্ৰী গজেন্দ্ৰ সিং শেখাৱট নিকতটম প্ৰতিদ্বন্দ্বী কংগ্ৰেছৰ কৰণ সিং উচিয়াৰ্দাতাতকৈ ১ লাখ ১৪ হাজাৰৰো অধিক ভোটত আগবাঢ়ি আছে।

উত্তৰ প্ৰদেশৰ **লক্ষ্ণৌ** সমষ্টিত কেন্দ্ৰীয় মন্ত্ৰী ৰাজনাথ সিং নিকটতম প্ৰতিদ্বন্দ্বী সমাজবাদী পাৰ্টীৰ ৰৱিদাস মেহৰুট্ৰাতকৈ ৯৯ হাজাৰতকৈ অধিক ভোটত আগবাঢ়ি আছে। ৰাজ্যখনৰ **আমেথিত** বিজেপিৰ জ্যেষ্ঠ নেতা স্মৃতি ইৰাণী নিকটতম প্ৰতিদ্বন্দ্বী কংগ্ৰেছৰ কিশোৰী লালতকৈ  ১ লাখ ৬৫ হাজাৰৰো অধিক ভোটত পিছপৰি আছে। **ৰাজ্যখনৰ মেইনপুৰীত** সমাজবাদী পাৰ্টীৰ ডিম্পল য়াদৱ বিজেপিৰ জয়বীৰ সিঙতকৈ ২ লাখ ২১ হাজাৰৰো অধিক ভোটত আগবাঢ়ি আছে।

**উত্তৰ প্ৰদেশৰ ৰায়বৰেলি** সমষ্টিত কংগ্ৰেছ প্ৰাৰ্থী ৰাহুল গান্ধী নিকটতম প্ৰতিদ্বন্দ্বী বিজেপিৰ দীনেশ প্ৰতাপ সিঙতকৈ প্ৰায় ৩ লাখ ৯০ হাজাৰতকৈ অধিক ভোটত আগবাঢ়ি আছে। **মহাৰাষ্ট্ৰৰ বাৰামতি** সমষ্টিত এন চি পি শাৰদ পাৱাৰ গোটৰ প্ৰাৰ্থী সুপ্ৰিয়া চুলে এন চি পিৰ প্ৰাৰ্থী সুনেত্ৰা অজিতদাদা পাৱাৰতকৈ ৫০ হাজাৰ ভোটত আগবাঢ়ি আছে। **গুৰগাঁও সমষ্টিত** বিজেপিৰ ৰাও ইন্দৰজিৎ সিং কংগ্ৰেছ দলৰ নিকটতম প্ৰতিদ্বন্দ্বী ৰাজ বাববৰ তকৈ প্ৰায় ৭৩ হাজাৰতকৈ অধিক ভোটত আগবাঢ়ি আছে। **পোৰবন্দৰ সমষ্টিত** বিজেপিৰ আন এজন নেতা ড° মনসুখ মন্দাভিয়া কংগ্ৰেছৰ ললিত ৰছ'য়াতকৈ ৩ লাখ ৮০ হাজাৰৰো অধিক ভোটত আগবাঢ়ি আছে।ৰাষ্ট্ৰীয় সুৰক্ষা আইনৰ অধীনত ডিব্ৰুগড় কাৰাগাৰত বন্দী হৈ থকা নিৰ্দলীয় প্ৰাৰ্থী অমৃতপাল সিং **পাঞ্জাবৰ খদুৰচাহিব** সমষ্টিত ১ লাখ ৯৩ হাজাৰৰো অধিক ভোটত আগবাঢ়ি আছে।

oooooo

অসমৰ ১৪টা লোকসভা সমষ্টিত ভোটগণনা প্ৰায় সামৰণিত  উপনীত হৈছে। নিৰ্বাচন আয়োগৰ শেহতীয়া তথ্য অনুসৰি বিজেপিয়ে ৮খন আসনত আৰু এন ডি এ মিত্ৰজোঁটৰে অগপই বৰপেটা সমষ্টিত নিশ্চিত জয়ৰ দিশে অগ্ৰসৰ হৈছে। ইয়াৰ বিপৰীতে ৩ খন আসনত কংগ্ৰেছে জয় প্ৰায় সুনিশ্চিত হৈ পৰিছে। ডিব্ৰুগড় সমষ্টিত বিজেপিৰ সৰ্বানন্দ সোণোৱালে বিৰোধী ঐক্যমঞ্চৰ সমৰ্থিত অসম জাতীয় পৰিষদৰ লুৰীণজ্যোতি গগৈৰ বিৰুদ্ধে বৃহৎ ভোটৰ ব্যৱধানত আগবাঢ়ি আছে।

একেদৰে লখিমপুৰ, শোণিতপুৰ, কাজিৰঙা, শিলচৰ, ডিফু, গুৱাহাটী আৰু দৰং-ওদালগুৰিত জয়ৰ বাট প্ৰায় সুনিশ্চিত কৰি বিজেপি নেতৃত্বাধীন এন ডি এ-য়ে আসনৰ সংখ্যা ৯ লৈ বৃদ্ধি পোৱাৰ সম্ভাৱনা প্ৰকট কৰিছে।

লখিমপুৰ সমষ্টিত প্ৰদান বৰুৱাই কংগ্ৰেছৰ উদয় শংকৰ শইকীয়াক, কাজিৰঙাত কামাখ্যা প্ৰসাদ তাছাই কংগ্ৰেছৰ ৰ'জলীনা তিৰ্কিক, শিলচৰত পৰিমল শুক্লবৈদ্যই কংগ্ৰেছৰে সূৰ্যকান্ত সৰকাৰক,  ডিফুত অমৰ সিং টিছ'ই

নিৰ্দলীয় প্ৰাৰ্থী জে আই কাঠাৰক, গুৱাহাটীত বিজুলী কলিতা মেধিয়ে কংগ্ৰেছৰ মীৰা বৰঠাকুৰ গোস্বামীক আৰু দৰং-ওদালগুৰিত দিলীপ শইকীয়াই কংগ্ৰেছৰ মাধৱ ৰাজবংশীক পৰাস্ত কৰাৰ বাট মুকলি হৈছে।

গুৱাহাটী সমষ্টিত নিৰ্বাচনী ফলাফল সম্পৰ্কীয় শেহতীয়া তথ্যৰ সৈতে এয়া আমাৰ কামৰূপ মহানগৰৰ সংবাদদাতা হেমন্ত বৰা—-

***ঃঃ ভইচ ঃঃ***

ইপিনে কংগ্ৰেছে ধুবুৰী, যোৰহাট আৰু নগাঁও সমষ্টিত জয়লাভ কৰাৰ পথ প্ৰসস্ত হৈছে। ধুবুৰী সমষ্টিত কংগ্ৰেছৰ ৰকিবুল হুছেইনে নিকটতম প্ৰতিদ্বন্দ্বী এ আই ইউ ডি এফৰ বদৰুদ্দিন আজমলৰ বিৰুদ্ধে ৮ লাখৰো অধিক ভোটৰ বৃহৎ ব্যৱধানত আগবাঢ়ি আছে। একেদৰে যোৰহাটত কংগ্ৰেছৰে গৌৰৱ গগৈয়ে নিকটতম প্ৰতিদ্বন্দ্বী বিজেপিৰ তপন গগৈক আৰু নগাঁও সমষ্টিত কংগ্ৰেছ প্ৰাৰ্থী প্ৰদ্যুৎ বৰদলৈয়ে বিজেপিৰ সুৰেশ বৰাক পৰাস্ত কৰাৰ দিশে আগবাঢ়িছে।

নগাঁও সমষ্টিত নিৰ্বাচনী ফলাফল সম্পৰ্কীয় প্ৰতিবেদনেৰে এয়া নগাঁও জিলাৰ পৰা আমাৰ সংবাদদাতা মুনীন্দ্ৰ শইকীয়া —

***ঃঃ ভইচ ঃঃ***

ইফালে কোকৰাঝাৰ সমষ্টিত ইউ পি পি এলৰ জয়ন্ত বসুমতাৰীয়ে বিপিএফৰ খাম্ফা বৰগয়াৰীৰ বিৰুদ্ধে ৫৪ হাজাৰৰো অধিক ভোটৰ অগ্ৰগতিত জয় প্ৰায় সুনিশ্চিত কৰিছে। কৰিমগঞ্জ সমষ্টিত কংগ্ৰেছ প্ৰাৰ্থী হাফিজ ৰচিদ আহমেদ চৌধুৰী আৰু বিজেপিৰ কৃপানাথ মাল্লাই সমানে এঘড়ি যুঁজা দেখিবলৈ পোৱা গৈছে। শেহতীয়া পৰিসংখ্যা অনুসৰি বিজেপিৰ কৃপান্নাথ মাল্লাই প্ৰায় ১৪ হাজাৰ ভোটত অগ্ৰগতি লাভ কৰিবলৈ সমৰ্থ হৈছে।

কৰিমগঞ্জ সমষ্টিৰ আকৰ্ষণীয় নিৰ্বাচনী যুঁজ বিষয়ক প্ৰতিবেদনেৰে এয়া আমাৰ হাইলাকান্দি জিলাৰ সংবাদদাতা নিলোৎপল দেৱ —

***ঃঃ ভইচ ঃঃ***

০০০০০০০০০

অৰুণাচল প্ৰদেশ আৰু ত্ৰিপুৰাত বিজেপিয়ে জয়লাভ কৰিছে। অৰুণাচল প্ৰদেশৰ অৰুণাচল পূব সমষ্টিত বিজেপিৰ টাপিৰ গাঁও আৰু অৰুণাচল পশ্চিম সমষ্টিত কেন্দ্ৰীয় মন্ত্ৰী তথা বিজেপি নেতা কিৰেন ৰিজিজু বিজয় হৈছে।

মিজোৰাম সমষ্টিত জোৰাম পিপলছ মুভমেণ্ট দলৰ প্ৰাৰ্থী ৰিছাৰ্ড ভানলালমাংগাইহা জয় হৈছে। মেঘালয়ৰ শ্বিলং সমষ্টিত ভইছ অফ পিপলছ পাৰ্টীৰ ৰিকি ছিংকন আৰু তুৰা সমষ্টিত কংগ্ৰেছ দলৰ ছালেং এ ছাংমা জয় হৈছে। ত্ৰিপুৰাৰ দুটা সমষ্টিত বিজেপি প্ৰাৰ্থী জয় হৈছে। ত্ৰিপুৰা পূব সমষ্টিত কীৰ্তি দেৱী দেৱবৰ্মন আৰু ত্ৰিপুৰা ৱেষ্ট সমষ্টিত বিপ্লৱ কুমাৰ দেৱ জয় হৈছে।

০০০০০০০

ৰীমাল পৰৱৰ্তী প্ৰবল বৃষ্টিপাতৰ পৰিপ্ৰেক্ষিতত ৰাজ্যত হোৱা বানপানীয়ে ১৩ খন জিলাৰ ৬ লাখৰো অধিক লোক ক্ষতিগ্ৰস্ত কৰিছে। কাছাৰ জিলাত ৪ জন লোকে প্ৰাণ হেৰুওৱাৰ ফলত ৰাজ্যখনত বানত প্ৰাণ হেৰুওৱা লোকৰ সংখ্যা ১৮ লৈ বৃদ্ধি হৈছে। ৰাজ্যখনৰ ৫৭৭ খন গাঁও প্লাৱিত হোৱাৰ লগতে ৬ হাজাৰৰো অধিক হেক্টৰ কৃষিভূমি বানৰ কবলত পৰিছে। অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ তথ্য অনুসৰি কেইবাখনো জিলাৰ পথ, মথাউৰি আৰু আন্তঃগাঁথনি ক্ষতিগ্ৰস্ত হৈছে। ৰাজ্য চৰকাৰে বানৰ কবলত পৰা জিলাসমূহত ইতিমধ্যে ১৯১টা সাহায্য শিবিৰ আৰু ১০৮টা সাহায্য বিতৰণ কেন্দ্ৰ মুকলি কৰিছে। শেহতীয়াকৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়েও অসমকে ধৰি উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহলৈ ৰীমালে কৰা ক্ষয়-ক্ষতিৰ পৰিপ্ৰেক্ষিতত সাহায্য আঁচনিৰ ঘোষণা কৰিছে।

ইপিনে উত্তৰ-পূৰ্ব সীমান্ত ৰে'লৱেই নিউ হাফলং-চন্দ্ৰনাথপুৰৰ ৰে'লপথৰ ক্ষতিৰ প্ৰতি লক্ষ্য ৰাখি ৫ জুনলৈকে কেইবাখনো ৰে'লৰ যাত্ৰা বাতিল কৰাৰ লগতে আন কেইবাখনো ৰে'লৰ যাত্ৰা আংশিকভাৱে বাতিল কৰিছে।

০০০০০০০০০

কংগ্ৰেছ দলে আজি লোকসভা নিৰ্বাচনৰ ফলাফল সন্দৰ্ভত এখন সংবাদমেল সম্বোধন কৰে। সংবাদমেলত দলৰ সভাপতি মল্লিকাৰ্জুন খাৰ্গে, কংগ্ৰেছ নেত্ৰী ছোনিয়া গান্ধী আৰু নেতা ৰাহুল গান্ধীয়ে অংশ লয়। ৰাহুল গান্ধীয়ে সংবাদমেলত ভোটদাতাসকলক ধন্যবাদ জ্ঞাপন কৰি এই নিৰ্বাচন সংবিধান ৰক্ষাৰ স্বাৰ্থত অনুষ্ঠিত হৈছে বুলি প্ৰকাশ কৰে। কাইলৈ হ'বলগীয়া বিৰোধী ঐক্যমঞ্চৰ বৈঠকত নিৰ্বাচনী ফলাফল সন্দৰ্ভত আলোচনা কৰা হ'ব বুলি শ্ৰী গান্ধীয়ে কয়। সংবাদমেলত বিৰোধী দলসমূহৰ সৈতে কংগ্ৰেছ একেলগে নিৰ্বাচনত অৱতীৰ্ণ হোৱাটো ফলপ্ৰসূ হৈছে বুলি তেওঁ উল্লেখ কৰে। শ্ৰী খাৰ্গেই সংবাদমেলত কয় যে কোনো দলেই স্পষ্ট সংখ্যাগৰিষ্ঠতা লাভ কৰিব পৰা নাই আৰু আজিৰ ফলাফলে জনসাধাৰণৰ প্ৰধানমন্ত্ৰীৰ বিৰুদ্ধে জনমতকে প্ৰতিফলিত কৰিছে। আনহাতে, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নিশা ৮ বজাত দিল্লীত বিজেপিৰ মুখ্য কাৰ্যালয়ত উপস্থিত হ'ব। তেওঁ মুখ্য কাৰ্যালয়ৰ পৰা বিজেপি কাৰ্যকৰ্তাসকলক সম্বোধন কৰাৰ সম্ভাৱনা আছে।

০০০০০০০০

আমেৰিকা আৰু ৱেষ্ট ইণ্ডিজত চলি থকা আই চি চি টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ আজি অনুষ্ঠিত এখন খেলত আফগানিস্তানে উগাণ্ডাক ১২৫ ৰানত পৰাস্ত কৰে। প্ৰভিডেন্সত অনুষ্ঠিত খেলখনত আফগানিস্তানে প্ৰথমে বেটিং কৰি ৫ উইকেটৰ বিনিময়ত ১৮৩ ৰান কৰাৰ প্ৰত্যুত্তৰত উগাণ্ডা ৫৮ ৰানত অল আউট হয়। আফগানিস্তানৰ হৈ ফজলহক ফাৰুকীয়ে ৪ অভাৰত ৯ ৰান খৰচ কৰি ৫টা উইকেট দখল কৰে। ইয়াৰ পূৰ্বে আফগানিস্তানৰ ইনিংছত ৰহমনউল্লাহ্ গুৰবাজে ৭৬ আৰু ইব্ৰাহিম জাদৰানে ৭০ ৰানৰ বৰঙণি আগবঢ়ায়।

ইপিনে আজি ৱেষ্ট ইণ্ডিজৰ ব্ৰীজটাউনত হ'বলগীয়া খেলত ইংলেণ্ড স্কটলেণ্ডৰ মুখামুখী হ'ব। খেলখন নিশা ৮ বজাৰ পৰা অনুষ্ঠিত হ'ব। আজি আমেৰিকা যুক্তৰাষ্ট্ৰৰ ডালাছত হ'বলগীয়া আন এখন খেলত নেডাৰলেণ্ডছে নেপালৰ বিৰুদ্ধে খেলিব। খেলখন নিশা ৯ বজাৰ পৰা অনুষ্ঠিত হ'ব।

০০০০০০০০

**সমাপ্ত**